# ৰাজ্যৰ দ্বিতীয় স্থানপ্ৰাপ্ত কৃষক পুণ্য প্ৰসাদ খাউণ্ড



পুণ্য প্ৰসাদ খাউণ্ড

শোণিতপুৰ জিলাৰ বিশ্বনাথ মহকুমাৰ পাভৈ কৃষিচক্ৰৰ অন্তৰ্গত ৰঙামাটি গাঁওৰ কৃষক পুণ্য প্ৰসাদ খাউণ্ড। ১৯৯২ চনত বিজ্ঞান শাখাৰ স্নাতক ডিগ্ৰীলৈ খাউণ্ডে চৰকাৰী চাকৰিৰ সন্ধানত কালাতিপাত নকৰি ১৯৯৪ চনত কৃষি ক্ষেত্ৰত প্ৰথম খোজ হিচাপে আৰম্ভ কৰে আঢ়ৈ বিঘা মাটিত কমলা, লিচু, নেমু আৰু ফুলৰ নাৰ্চাৰী। নাম থয় 'ৰ'দালী নাৰ্চাৰী'। ৰ'দালিৰ ৰ'দে যেন পুণ্য প্ৰসাদক উজলাই তুলিলে। মাত্ৰ ৬০ হাজাৰ টকাৰে আৰম্ভ কৰা আৰু বছৰি ১ লাখ টকাৰো অধিক লাভ হোৱা এই নাৰ্চাৰীত বৰ্তমান আছে ৮০ জোপা কমলা গছ, ১০০ জোপা তামোল, ৪০ জোপা অগৰ, ৫০ জোপা নেমুৰ উপৰিও পাণ, অমিতা, লিচু, মধুৰী, নাৰিকল, মাটি কঁঠাল, জালুক আদি বিভিন্ন উদ্যান শস্য। নাৰ্চাৰীৰ পৰা ক্ৰমে তেওঁৰ মন সম্প্ৰসাৰিত হয় নৈপৰীয়া পথাৰখনলৈ। বছৰটোত তিনিটা খেতিৰে ধান, মাহ, সৰিয়হ আদিৰ উৎপাদনেৰে স্বনিৰ্ভৰশীল হোৱাৰ লগতে আৰু বহুকেইজনক কৰ্মসংস্থাপন দিবলৈ তেওঁ সক্ষম হৈছে। শ্ৰীখাউণ্ডে এবিঘা মাটিত কৰা মৎস পালনৰ জৰিয়তেও প্ৰতি বছৰে নিম্নতম ৫০ হাজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। এবিঘা মাটিত-এড়ি খেতি, ১০ বিঘা মাটিত ধান, মাহ, সৰিয়হ, ৩ বিঘা মাটিত উদ্যান শস্যৰ খেতিৰে ভৰপূৰ খাউণ্ডৰ পথাৰ। কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ এজন সফল হিতাধিকাৰী খাউণ্ডৰ আছে এখন ট্ৰেক্টৰ, দুটা হস্তচালিত স্প্ৰেয়াৰ যন্ত্ৰ আৰু এটি অগভীৰ নলীনাদ। পচন সাৰ, কেঁচুসাৰ উৎপাদন গোট আৰু সেউজ সাৰৰ ব্যৱহাৰৰ দ্বাৰা অঞ্চলটোৰ কৃষকৰ মাজত জৈৱিক কৃষিৰ বাটকটীয়া হিচাপেও খাউণ্ডে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

নতুনক জনাৰ আগ্ৰহ, কৃষিক্ষেত্ৰত উন্নত প্ৰযুক্তিৰ প্ৰয়োগ, মাটিৰ সাৰ্থক ব্যৱহাৰ আৰু অন্য কৃষকক আধুনিক কৃষিকাৰ্যৰ প্ৰতি আকৰ্ষণ কৰি অৰ্থনৈতিক স্বাৱলম্বিতাৰ পথ মুকলি কৰাৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বাবে কৃষি বিভাগে তেওঁলৈ আগবঢ়াইছে ২০১৩-২০১৪ বৰ্ষৰ দ্বিতীয় স্থানপ্ৰাপ্ত কৃষকৰ সন্মান।

খাউণ্ডলৈ আমাৰ অভিনন্দন !